## অধ্যায়-৬

# অন্যান্য বেংকসমূহ
# (OTHER BANKS)

## বিনিময় বেংক / বিদেশী বেংক

বিনিময় বেংকবোৰে বৈদেশিক মুদ্ৰাত লেনদেন কৰে। ই আন্তৰ্জাতিক বাণিজ্যিৰ বাবে বিত্তীয় যোগান ধৰাত বিশেযজ্ঞ। এই বেংকবোৰ বৈদেশিক মুদ্ৰা লেনদেনত নিয়োজিত কাৰণে তেওঁলোকক বৈদেশিক মুদ্ৰা বেংক বুলিও জনা যায়। বিনিময় বেংকৰ মুখ্য কাম হৈছে বৈদেশিক মুদ্ৰাৰ লেনদেনৰ মীমাংসা কৰা আৰু বৈদেশিক বাণিজ্যিৰ বাবে বিত্তীয় আৰু আন বিনিময় সুবিধা প্ৰদান কৰা। কেতিয়াবা বিনিময় বেংকবোৰক বিদেশী বেংক বুলিও কোৱা হয়। কাৰণ বেছিভাগ বিনিময় বেংকৰ কাম বিদেশী বেংকৰ দ্বাৰা সম্পাদন কৰা হয়। অৱশ্যে আজিকালি বাণিজ্যিক বেংকবোৰে নিজেই বৈদেশিক মুদ্ৰাৰ ব্যৱসায় কৰে। সেই দৃষ্টিকোণৰ পৰা কোনো পৃথক বিনিময় বেংক নাই। ভাৰতত ভাৰতীয় ষ্টেট বেংক আৰু সকলো বিদেশী বেংকে বৈদেশিক মুদ্ৰাৰ লেনদেন কৰি আহিছে।

বিনিময় বেংকবোৰে দেশীয় মুদ্ৰাক বিদেশী মুদ্ৰালৈ আৰু বিদেশী মুদ্ৰাক দেশীয় মুদ্ৰালৈ ৰূপান্তৰ কৰি মুদ্ৰা বিনিময়ৰ সমস্যা সমাধান কৰে। গতিকে এই বেংকবোৰে বিদেশী মুদ্ৰা ক্ৰয় আৰু বিক্ৰীৰ ব্যৱসায়ী হিচাপে কাম কৰি আছে। বিনিময় বেংকে প্ৰদান কৰা কিছুমান গুৰুত্বপূৰ্ণ কাৰ্য তলত উল্লেখ কৰা হ'ল।

১) বিনিময় বেংকবোৰে ভাৰতলৈ বিদেশী বিনিয়োগৰ প্ৰবাহক উৎসাহিত কৰে।

২) বৈদেশিক বিনিময় বিল বাট্টাত ভঙোৱা কাৰ্যত নিয়োজিত হয়।

৩) পুঁজিৰ বৈদেশিক স্থানান্তৰৰ সেৱা প্ৰদান কৰে।

৪) সোণ আৰু ৰূপ ক্ৰয়-বিক্ৰয় হৈছে বিনিময় বেংকৰ আন এক গুৰুত্বপূৰ্ণ কাম।

৫) বিনিময় বেংকে বৈদেশিক বাণিজ্যত প্ৰত্যয় পত্ৰ জাৰী কৰে।

৬) ই আন্তৰ্জাতিক বাণিজ্যৰ সুবিধা প্ৰদান আৰু বিত্তৰ যোগান ধৰে।

৭) ই বিদেশী মুদ্ৰাত লেনদেন সম্পৰ্কে বিভিন্ন অনুমোদন পোৱাত প্ৰয়োজনীয় সহায় প্ৰদান কৰে।

দৰাচলতে বিনিময় বেংক অবিহনে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সম্ভৱ নহয়। ভাৰতত বিনিময় বেংকে সাধাৰণতে তিনি মাহৰ পিছত ম্যাদ সম্পূৰ্ণ হোৱা ভাৰতীয় ৰপ্তানি বিল ক্ৰয় কৰে। এই বিলসমূহ বাট্টাত ভঙোৱাৰ বাবে তৎক্ষণাত লণ্ডন বা নিউয়ৰ্ক মুদ্ৰা বজাৰলৈ প্ৰেৰণ কৰা হয়।

## আঞ্চলিক গ্ৰাম্য বেংক

বিশেষকৈ অৰ্থনীতিৰ গ্ৰাম্য খণ্ডলৈ প্ৰতিষ্ঠানগত ঋণৰ প্ৰবাহ সম্পৰ্কত অধ্যয়ন কৰিবলৈ গঠন কৰা এম নৰসিংহম সমিতিৰ পৰামৰ্শ অনুসৰি, ১৯৭৫ চনত আঞ্চলিক গ্ৰাম্য বেংক এক চৰকাৰী পৃষ্ঠপোষকতাত আঞ্চলিকভাৱে আধাৰিত আৰু গ্ৰাম্য মুখী বেংক হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল। ১৯৭৫ চনৰ ২৬ ছেপ্টেম্বৰত গৃহীত এক অধ্যাদেশ অনুসৰি পাঁচটা আঞ্চলিক গ্ৰাম্য বেংক ১৯৭৫ চনৰ ২ অক্টোবৰত এক বিশেষ গ্ৰাম্য বিত্তীয় প্ৰতিষ্ঠান হিচাপে স্থাপন কৰা হৈছিল। ১৯৭৬ চনত আঞ্চলিক গ্ৰাম্য বেংক আইন গৃহীত হৈছিল।

আঞ্চলিক গ্ৰাম্য বেংক হৈছে গ্ৰাম্য ভিত্তিক ৰাজহুৱা খণ্ডৰ বাণিজ্যিক বেংক। আৰম্ভণিতে আঞ্চলিক গ্ৰাম্য বেংকৰ অংশ মূলধন কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু পৃষ্ঠাপোষকতা কৰা বেংকে ক্ৰমান্বয়ে ৫০:১৫:৩৫ অনুপাতত বহন কৰে। আঞ্চলিক গ্ৰাম্য বেংকৰ অনুমোদিত আৰু বিলিকৃত মূলধন ক্ৰমান্বয়ে এক কোটি আৰু ২৫ লাখ টকা নিৰ্ধাৰণ কৰা হৈছিল। ১৯৮৮ চনত আঞ্চলিক গ্ৰাম্য বেংক আইন সংশোধন কৰি অনুমোদিত আৰু বিলিকৃত মূলধন ক্ৰমান্বয়ে ৫ কোটি আৰু ১ কোটিলৈ বৃদ্ধি কৰা হৈছিল। পৃষ্ঠপোষকতা কৰা বেংক হিচাপে আঞ্চলিক গ্ৰাম্য বেংকৰ কাৰ্যকলাপ সুচাৰুৰূপে পৰিচালনাৰ বাবে বাণিজ্যিক বেংকে প্ৰয়োজনীয় পুঁজি, পৰামৰ্শ আৰু নিৰ্দেশনা প্ৰদান কৰে। আঞ্চলিক গ্ৰাম্য বেংকে মালিকানাধীন/সমাংশ মূলধন, ৰাইজৰ পৰা জমা সংগ্ৰহ, পৃষ্ঠপোষকতা কৰা বেংকৰ পৰা ঋণ আৰু নাবাৰ্ডৰ পৰা পুনৰ্বিত্তৰ জৰিয়তে ইয়াৰ প্ৰয়োজনীয় সম্পদ সংগ্ৰহ কৰে।

**আঞ্চলিক গ্রাম্য বেংকৰ উদ্দেশ্য ঃ**

আঞ্চলিক গ্রাম্য বেংকৰ চূড়ান্ত লক্ষ্য হৈছে ভাৰতৰ গ্রাম্য বিকাশত সহায় কৰা। আঞ্চলিক গ্রাম্য বেংকৰ মুখ্য উদ্দেশ্যবোৰ তলত উল্লেখ কৰা হ'ল—

১) আঞ্চলিক গ্রাম্য বেংক স্থাপনৰ মুখ্য উদ্দেশ্য আছিল গ্রাম্য এলেকাত বিদ্যমান ঋণৰ ব্যৱধান পূৰণ কৰা।

২) আঞ্চলিক গ্রাম্য বেংকে গ্রামাঞ্চলৰ লোকসকলক ঋণ দাতাৰ কবলৰ পৰা মুক্ত কৰিবলৈ প্রতিষ্ঠানগত ঋণ প্রদান কৰাৰ বাবে এক বৈকল্পিক ঋণ সংস্থা হিচপে কাম কৰিব লাগিব।

৩) বেংকসমূহে ক্ষুদ্র আৰু প্রান্তীয় কৃষক, কৃষি শ্রমিক, ক্ষুদ্র উদ্যোগী, শিল্পী, কুটিৰ উদ্যোগ, শিপিনী আদিক ঋণ আৰু অন্যান্য সুবিধা প্রদান কৰি গ্রাম্য অর্থনীতিৰ বিকাশত সহায় কৰিব লাগিব।

৪) গ্রাম্য অঞ্চলত নিযুক্তি সৃষ্টিৰ বাবে এক নতুন শ্রেণীৰ উদ্যোগী সৃষ্টি কৰা।

**আঞ্চলিক গ্রাম্য বেংকৰ কার্যসমূহ ঃ**

আঞ্চলিক গ্রাম্য বেংকে বেংকিং নিয়ন্ত্রণ আইন-১৯৪৯ ৰ ধাৰা ৫(খ) আৰু ৬(ক) অনুসৰি বাণিজ্যিক বেংকবোৰৰ কাম সম্পাদন কৰে। আঞ্চলিক গ্রাম্য বেংকসমূহ ১৯৩৪ চনৰ ভাৰতীয় ৰিজার্ভ বেংক আইনৰ দ্বিতীয় অনুসূচিত অন্তর্ভুক্ত কৰা হৈছে। অন্যান্য বাণিজ্যিক বেংকৰ দৰে ই বাণিজ্যিক বেংকৰ প্রায় সকলো কাম সম্পাদন কৰে। আঞ্চলিক গ্রাম্য বেংকৰ দ্বাৰা সম্পাদন কৰা কিছুমান গুৰুত্বপূর্ণ কার্য তলত দিয়া হ'ল।

১) আঞ্চলিক গ্রাম্য বেংকে বিভিন্ন প্রকাৰৰ হিচাব যেনে সঞ্চয়ী বেংক হিচাব, চলিত জমা হিচাব, পৌনঃপুনিক জমা হিচাব, স্থায়ী জমা হিচাব আদিৰ জৰিয়তে ৰাইজৰ পৰা আমানত গ্রহণ কৰে।

২) ই গ্রাম্য আৰু অর্ধ নগৰ অঞ্চলৰ লোকসকলক বিশেষকৈ ক্ষুদ্র আৰু প্রান্তীয় কৃষক, শিল্পী আদিক ঋণ আৰু অগ্রিম প্রদান কৰে।

৩) ই বিভিন্ন চৰকাৰী আঁচনিৰ যেনে MGNRGAৰ মজুৰি বিতৰণ, পেঞ্চন বিতৰণ আদিৰ দৰে কামবোৰ সম্পাদন কৰে।

৪) ই জনসাধাৰণক কিছুমান প্রতিনিধিত্বমূলক সেৱা আৰু ৰাজহুৱা উপযোগিতা সেৱাও প্রদান কৰে। উদাহৰণ স্বৰূপে গ্রাহকৰ হৈ বিল সংগ্রহ আৰু পৰিশোধ, এঠাইৰ পৰা আন ঠাইলৈ পুঁজি প্রেৰণ, জনসাধাৰণলৈ লকাৰ সুবিধা ইত্যাদি।

৫) ই কিছুমান গুৰুত্বপূর্ণ আধুনিক বেংকিং সুবিধা প্ৰদান কৰে যেনে ডেবিট আৰু ক্ৰেডিট কাৰ্ডৰ সেৱা, মোবাইল বেংকিং, ইণ্টাৰনেট বেংকিং ইত্যাদি।

ওপৰোক্তবোৰৰ উপৰিও অঞ্চলিক গ্ৰাম্য বেংকে তলত উল্লেখ কৰা বিশেষ কাৰ্যসমূহ কৰিবলৈ অগ্ৰাধিকাৰ দিয়ে—

ক) ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষক, কৃষি শ্ৰমিক আৰু বিভিন্ন সমবায় সমিতি যেনে— বিপনন সমিতি, কৃষি প্ৰক্ৰিয়াকৰণ সমিতি, প্ৰাথমিক কৃষি ঋণ সমিতি (PACS), কৃষক সেৱা সমিতি আদিক ঋণ আৰু অগ্ৰিম প্ৰদান কৰা।

খ) ইয়াৰ কৰ্ম ক্ষেত্ৰৰ ভিতৰত বেপাৰ, বাণিজ্য, উদ্যোগ আৰু অন্যান্য উৎপাদনশীল কাৰ্যকলাপত নিয়োজিত ক্ষুদ্ৰ শিল্পী, ক্ষুদ্ৰ উদ্যোগী আৰু ক্ষুদ্ৰ উপাৰ্জনৰ ব্যক্তিসকলক ঋণ প্ৰদান কৰা।

## বিনিয়োগ বেংক/উদ্যোগিক বেংক ঃ

উদ্যোগসমূহৰ অংশ, ঋণপত্ৰ আৰু মূলধন বিলি আদিৰ অৱলেখনত বিনিয়োগৰ জৰিয়তে ঔদ্যোগিক খণ্ডৰ বিকাশৰ বাবে বিনিয়োগ বেংক প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ আছে। যিহেতু বিনিয়োগ বেংক ইয়াৰ বিনিয়োগৰ বিভিন্ন মাধ্যমৰ জৰিয়তে উদ্যোগসমূহৰ প্ৰৱৰ্তন আৰু বিকাশৰ সৈতে সম্পৰ্কিত সেয়েহে ইয়াক ঔদ্যোগিক বেংক বুলিও কোৱা হয়।

বিনিয়োগ বেংকবোৰে ব্যৱসায় আৰু উদ্যোগৰ বাবে মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী বিত্তৰ ব্যৱস্থা কৰে। সাধাৰণতে ই বিত্তৰ যোগানকাৰী আৰু অৱলেখনকাৰী হিচাপেও কাম কৰে। বিত্তৰ যোগানকাৰী হিচাপে ই ব্যৱসায় আৰু উদ্যোগক দীৰ্ঘম্যাদী পুঁজি প্ৰদান কৰে। অৱলেখনকাৰী হিচাপে ই ব্যৱসায় নিগম আৰু বিনিয়োগকাৰীসকলৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাম কৰে। বিনিয়োগ বেংকে ব্যৱসায় নিগমৰ অংশ বা ঋণপত্ৰ দস্তুৰিৰ বাবে ৰাইজক বিক্ৰী কৰাৰ দায়িত্ব লয়। ৰাইজৰ দ্বাৰা সম্পূৰ্ণ বৰঙণিকৃত নহ'লে তেওঁলোকে তেওঁলোকৰ দ্বাৰা অৱলেখন কৰা অংশ বা ঋণপত্ৰৰ বৰঙণিকৃত নোহোৱা অংশটো লয়।

### বিনিয়োগ বেংকৰ কাৰ্যসমূহ ঃ

বিনিয়োগ বেংকে কেইবাটাও জটিল বিত্তীয় লেনদেন কৰে যেনে— প্ৰতিভূতি বিলিকৰ্তা আৰু বিনিয়োগকাৰীৰ মাজত মধ্যস্থতাকাৰী, প্ৰতিভূতিৰ অৱলেখন, একত্ৰীকৰণ আৰু অধিগ্ৰহণ আৰু ব্যক্তিগত

আৰু প্ৰতিষ্ঠানগত গ্ৰাহকৰ বাবে দালাল বা পৰামৰ্শদাতা হিচাপে কাম কৰে। সাধাৰণতে বিনিয়োগ বেংকৰ দ্বাৰা সম্পাদন কৰা কিছুমান কাৰ্য তলত উল্লেখ কৰা হ'ল।

১) বিনিয়োগ বেংকে ৰাইজৰ পৰা কেৱল দীৰ্ঘম্যাদী জমা গ্ৰহণ কৰে কিয়নো ই উদ্যোগবোৰৰ স্থায়ী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে দীৰ্ঘম্যাদী বিত্ত প্ৰদান কৰে।

২) ই ভূমি, ভৱন আৰু অন্যান্য স্থায়ী সম্পত্তি ক্ৰয় কৰাৰ বাবে উদ্যোগবোৰক দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে। উদ্যোগসমূহৰ কাৰ্যকৰী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ মধ্যম্যাদী ঋণো প্ৰদান কৰা হয়।

৩) ই বৃহৎ ঔদ্যোগিক সংগঠনৰ প্ৰতিভূতি বিলিৰ অৱলেখন কৰি উদ্যোগবোৰক সহায় কৰে।

৪) বিনিয়োগ বেংকবোৰে কোম্পানী এটাৰ অংশ আৰু ঋণপত্ৰ ক্ৰয়ৰ দ্বাৰা কোম্পানীটোৰ ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

৫) ই উদ্যোগবোৰৰ দক্ষ ব্যৱস্থাপনাৰ বাবে পৰামৰ্শ আৰু কাৰিকৰী নিৰ্দেশনা প্ৰদান কৰে।

৬) ই বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ একত্ৰীকৰণ আৰু অধিগ্ৰহণ চুক্তিৰ ক্ষেত্ৰত উপদেষ্টা বা পৰামৰ্শদাতা হিচাপে কাম কৰে।

৭) ই কোম্পানী এটাক মুদ্ৰা, ঋণ, তৰলতা আদিৰ ক্ষেত্ৰত বিত্তীয় বিপদাশংকা নিয়ন্ত্ৰণ কৰাত সহায় কৰে।

৮) ই ইয়াৰ গ্ৰাহকসকলৰ লাভালাভৰ বাবে সমাংশ আৰু ঋণ, স্থিৰ উপাৰ্জন, সামষ্টিক অৰ্থনৈতিক দিশ আদিৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত গৱেষণাৰ কামবোৰো সম্পাদন কৰে।

ভাৰতত কাৰ্যনিৰ্বাহ কৰি থকা বিনিয়োগ বা ঔদ্যোগিক বেংকৰ কিছুমান উদাহৰণ হৈছে— IFCI, SBI Capital Markets Ltd., IDBI Capital Markets Services Ltd., ICICI Securities Ltd. ইত্যাদি।

## উন্নয়ন বেংক ঃ

এটা উন্নয়ন বেংক হৈছে এক বহুমুখী বিত্তীয় প্ৰতিষ্ঠান। ই ব্যৱসায়িক গোটবোৰক সকলো ধৰণৰ বিত্তীয় সাহাৰ্য (মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী) যেনে— ঋণ, অৱলেখন, বিনিয়োগ আৰু জামিন কাৰ্যকলাপ আৰু

প্ৰৱৰ্তনমূলক কাৰ্যকলাপৰ ৰূপত প্ৰদান কৰে। মূলতঃ উন্নয়ন বেংক হৈছে এক ম্যাদী ঋণ প্ৰদান কাৰী প্ৰতিষ্ঠান। ইয়াৰ দৃষ্টিভংগী বিকাশমুখী।

William Diamond and Shirley Boskeyয়ে ঔদ্যোগিক বিত্ত আৰু উন্নয়ন নিগমসমূহক "উন্নয়ন বেংক" হিচাপে বিবেচনা কৰে।

Dr. S. Desaiৰ মতে, উন্নয়ন বেংক হৈছে "বহনক্ষম আৰ্থ-সামাজিক বিকাশৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ আৰু বিকাশ আৰু সহযোগিতা বৃদ্ধি কৰাৰ বাবে ঋণ, অৱলেখন, বিনিয়োগ, জামিন কাৰ্যকলাপ আৰু প্ৰৱৰ্তনমূলক কাৰ্যকলাপৰ ৰূপত উদ্যোগসমূহক সকলো ধৰণৰ বিত্তীয় সহায়ৰ সৈতে সম্পৰ্কিত এক বিত্তীয় প্ৰতিষ্ঠান"।

উন্নয়ন বেংকবোৰ এখন দেশৰ অৰ্থনৈতিক বিকাশৰ প্ৰক্ৰিয়াত মূল হোতা। স্বাধীনতাৰ পিছত ১৯৪৮ চনত দেশৰ প্ৰথম উন্নয়ন বেংক হিচাপে ভাৰতীয় ঔদ্যোগিক বিত্ত নিগম স্থাপন কৰা হৈছিল। তাৰ পিছত বিত্তীয় আৰু অন্যান্য বিভিন্ন প্ৰৱৰ্তনমূলক সাহাৰ্য প্ৰদান কৰি বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগৰ বিকাশত সহায় কৰাৰ বাবে কেইবাটাও উন্নয়ন বেংক স্থাপন কৰা হৈছিল।

**উন্নয়ন বেংকৰ বৈশিষ্ট্য ঃ**

উন্নয়ন বেংকৰ মুখ্য বৈশিষ্ট্যবোৰ নিম্নলিখত ধৰণৰ—

১) ই এক বহুমুখী বিত্তীয় প্ৰতিষ্ঠান। উন্নয়ন বেংকে উন্নয়নমূলক বিত্ত প্ৰদান কৰে আৰু আন কামও কৰে।

২) উন্নয়ন বেংকসমূহ মুখ্যতঃ উন্নয়নমুখী। উন্নয়ন বেংকে (ক) বিনিয়োগ আৰু (খ) বিকাশশীল অৰ্থনীতিত উদ্যোগী কাৰ্যকলাপ প্ৰৱৰ্তনৰ / বিকাশৰ দ্বাৰা অৰ্থনৈতিক বিকাশত সহায় কৰে।

৩) ইয়াৰ মুখ্য উদ্দেশ্য হৈছে লাভৰ সলনি ৰাজহুৱা আৰু ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰা।

৪) উন্নয়ন বেংকে ৰাইজৰ পৰা সাধনি জমা গ্ৰহণ নকৰে।

৫) ই ঔদ্যোগিক গোটবোৰক মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী বিত্ত প্ৰদান কৰে।

৬) ই হৈছে এক বিশেষ বিত্তীয় প্ৰতিষ্ঠান যিয়ে ঔদ্যোগিক বিকাশৰ বাবে ঋণ প্ৰদান কৰে।

৭) উন্নয়ন বেংকে নতুন উদ্যোগী আৰু ক্ষুদ্ৰ পৰিসৰৰ গোটক সহায় কৰি পিছপৰা এলেকাবোৰত

ঔদ্যোগিক বিকাশত উদগনি দিয়ে।

৮) উন্নয়ন বেংকে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানক বিত্তীয় সাহাৰ্য প্ৰদান কৰে।

৯ ) উন্নয়ন বেংকবোৰে মানুহৰ মাজত বিনিয়োগ আৰু সঞ্চয়ৰ অভ্যাস বৃদ্ধি কৰাত সহায় কৰে।

**উন্নয়ন বেংকৰ কাৰ্যসমূহ ঃ**

উন্নয়ন বেংকবোৰে বৈচিত্ৰতাপূৰ্ণ (heterogeneous) চৰিত্ৰৰে কাম কৰি আছে। ই অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ বিকাশৰ বাবে এক বৈচিত্ৰ্যপূৰ্ণ কাৰ্য সম্পাদন কৰে। বিত্তীয় আৰু প্ৰৱৰ্তনমূলক সেৱাৰ উপৰিও ই আন কিছুমান সম্পৰ্কিত সেৱাৰ সৈতে জড়িত যিয়ে অৰ্থনীতিলৈ বিকাশ আৰু উন্নয়ন আনিব পাৰে। উন্নয়ন বেংকৰ কিছুমান গুৰুত্বপূৰ্ণ কাম তলত উল্লেখ কৰা হ'ল—

১) **উন্নয়নমূলক সাহাৰ্য প্ৰদান কৰা ঃ**

উন্নয়ন বেংকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম হৈছে উদ্যোগ, কৃষি, বাণিজ্য আৰু পৰিবহন আদিৰ দৰে বিভিন্ন উন্নয়নমূলক কাৰ্যকলাপৰ বাবে উন্নয়নমূলক সাহাৰ্য প্ৰদান কৰা।

২) **ভাৰসাম্য আঞ্চলিক বিকাশ ঃ**

উন্নয়ন বেংকবোৰে পিছপৰা আৰু বনাঞ্চলত স্থাপন কৰা গোটবোৰক অগ্ৰাধিকাৰৰ ভিত্তিত বিত্তীয় সাহাৰ্য প্ৰদান কৰে।

৩) **ক্ষুদ্ৰ উদ্যোগীসকলক সাহাৰ্য ঃ**

মুষ্টিমেয় লোকৰ হাতত অৰ্থনৈতিক ক্ষমতাৰ কেন্দ্ৰীভূতকৰণ প্ৰতিহত কৰিবলৈ উন্নয়ন বেংকে ক্ষুদ্ৰ উদ্যোগীসকলক বিত্তীয় সাহাৰ্য আগবঢ়ায়।

৪) **নতুন উদ্যোগী গঢ়াত সহায় কৰে ঃ**

উন্নয়ন বেংকবোৰে অগ্ৰাধিকাৰৰ ভিত্তিত সাহাৰ্য আগবঢ়াই নতুন উদ্যোগী আৰু ক্ষুদ্ৰ পৰিসৰৰ গোটৰ প্ৰসাৰত সহায় কৰে।

৫) **ধনৰ জমা গ্ৰহণ কৰে ঃ**

উন্নয়ন বেংকে কেৱল দীৰ্ঘম্যাদী সময়ৰ বাবে ধনৰ জমা গ্ৰহণ কৰে যিটো নিৰ্ধাৰিত ম্যাদ উকলি

যোৰাৰ পিছত পৰিশোধ কৰিব লাগিব। বাণিজ্যিক বেংকৰ দৰে ই সাধনি জমা গ্ৰহণ নকৰে যি দাবী অনুসৰি পৰিশোধ যোগ্য।

৬) **মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে ঃ**

ই ভূমি আৰু ভৱন, কাৰখানা আৰু যন্ত্ৰপাতি, ইয়াৰ সম্প্ৰসাৰণ, নৱীকৰণ আৰু আধুনিকীকৰণ আদিৰ ব্যয় পূৰণ কৰাৰ বাবে উদ্যোগবোৰক মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে।

৭) **মূলধন সংগ্ৰহ কৰাত সহায় কৰে ঃ**

অৱলেখনকাৰী আৰু জামিনদাৰ হিচাপে, উন্নয়ন বেংকবোৰে অংশ, ঋণপত্ৰ, বণ্ড আদি বিলি কৰাৰ ক্ষেত্ৰত নিগম খণ্ডক বজাৰৰ পৰা মূলধন সংগ্ৰহ কৰাত সহায় কৰে।

৮) **বহুমুখী সেৱা আগবঢ়ায় ঃ**

ই ঔদ্যোগিক গোটবোৰৰ প্ৰৱৰ্তন, বিকাশ আৰু ইয়াৰ কাৰ্যকলাপ সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে প্ৰৱৰ্তনমূলক, কাৰিকৰী, পৰিচালনামূলক আৰু পৰামৰ্শ সেৱা আগবঢ়ায়।

৯) **বিনিয়োগ প্ৰকল্প আৱিষ্কাৰ কৰে ঃ**

ই অৰ্থনীতিৰ বিকাশৰ বাবে বিভিন্ন বিনিয়োগ প্ৰকল্প আৱিষ্কাৰ কৰে।

১০) **প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা ঃ**

ই বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰাৰ দায়িত্ব লয়।

১১) **বিদেশী মূলধন সংগ্ৰহ কৰে ঃ**

বিভিন্ন উৎসৰ পৰা ই বিদেশী মূলধন সংগ্ৰহ কৰে আৰু অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ অগ্ৰাধিকাৰ অনুসৰি ইয়াক আৱণ্টন কৰে।

১২) **বজাৰ আৰু বিনিয়োগ গৱেষণা কৰে ঃ**

উন্নয়ন বেংকবোৰে দেশৰ ঔদ্যোগিক আৰু অন্যান্য খণ্ডৰ বিকাশৰ বাবে বজাৰ আৰু বিনিয়োগ গৱেষণা কৰে।

# ভাৰতীয় ৰপ্তানি-আমদানি বেংক
# (EXIM BANK OF INDIA)

অৰ্থনৈতিক উন্নয়নত সম্পূৰ্ণ মনোযোগ দিবলৈ অৰ্থনীতিৰ প্ৰতিটো খণ্ডৰ বাবে এটা পৃথক আৰু বিশেষ বিত্তীয় প্ৰতিষ্ঠান থাকিব লাগে। আমাৰ দেশৰ বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত ১৯৮২ চনলৈকে এই খণ্ডত কোনো বিশেষ বিত্তীয় প্ৰতিষ্ঠান নাছিল। ভাৰতীয় ৰপ্তানি-আমদানি বেংক (EXIM Bank) স্থাপন কৰাৰ আগতে ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংকে (IDBI) ৰপ্তানি-আমদানি ব্যৱসায়ত বিত্তীয় আৰু অন্যান্য সহায় আগবঢ়াইছিল।

Alexander Committee (১৯৭৭) আৰু ৰপ্তানি সম্পৰ্কীয় Tandon Committee (১৯৮০)ৰ পৰামৰ্শ অনুসৰি ভাৰতৰ বৈদেশিক বাণিজ্যৰ বাবে ৰপ্তানি-আমদানি বেংক আইন ১৯৮১ৰ ব্যৱস্থা অনুসৰি ১ জানুৱাৰী, ১৯৮২ তাৰিখে ভাৰতীয় ৰপ্তানি-আমদানি বেংক স্থাপন কৰা হৈছিল। এইটো আমাৰ দেশৰ বৈদেশিক বাণিজ্যৰ বাবে বিত্তীয় যোগানৰ ক্ষেত্ৰত শীৰ্ষ বেংকিং প্ৰতিষ্ঠান। ই হৈছে সংসদৰ বিশেষ আইনৰ অধীনত স্থাপিত এক বিধিবদ্ধ নিগম। ই ৰপ্তানি-আমদানি বিত্তীয় ক্ষেত্ৰত মুখ্য বেংক হিচাপে কাম কৰে। ইয়াৰ প্ৰতিষ্ঠাৰ পিছত ই ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংক (IDBI)ৰ পৰা ৰপ্তানি-আমদানি বিত্তীয় সম্পৰ্কীয় সমগ্ৰ ব্যৱসায়টো অধিগ্ৰহণ কৰিছে।

ৰপ্তানি-আমদানি বেংক (EXIM) হৈছে এক বেংক যি দেশৰ বৈদেশিক বাণিজ্যৰ বিকাশ আৰু উন্নয়ন নিশ্চিত কৰে। ই ৰপ্তানি আৰু আমদানিকৰ্তাসকলক বিত্তীয় আৰু অন্যান্য সহায় প্ৰদান কৰে। ই আন্তৰ্জাতিক বাণিজ্যৰ প্ৰসাৰৰ বাবে সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি আৰু আমদানিৰ বাবে বিত্তৰ যোগান ধৰা বিভিন্ন সংস্থাৰ মাজত সমন্বয় ৰক্ষা কৰে।

**ভাৰতীয় ৰপ্তানি-আমদানি বেংক (EXIM Bank)ৰ উদ্দেশ্যসমূহ ঃ**

EXIM বেংকৰ মুখ্য উদ্দেশ্যসমূহ হৈছে—

১) ৰপ্তানিকৰ্তা আৰু আমদানিকৰ্তাসকলক বিত্তীয় সাহাৰ্য প্ৰদান কৰা।

২) আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰসাৰৰ বাবে সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি আৰু আমদানিৰ বাবে বিত্তৰ যোগান ধৰা প্ৰতিষ্ঠানসমূহৰ কাম-কাজৰ সমন্বয়ৰ বাবে শীৰ্ষ বিত্তীয় প্ৰতিষ্ঠান হিচাপে কাম কৰা।

৩) আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ জটিল সমস্যাৰ সমাধানৰ বাবে বৈদেশিক বাণিজ্যৰ সৈতে সম্পৰ্কিত বিভিন্ন পক্ষক সহায় কৰা।

**ভাৰতীয় ৰপ্তানি-আমদানি বেংক (EXIM Bank)ৰ কাৰ্যসমূহ ঃ**

EXIM বেংকৰ কিছুমান মুখ্য কাৰ্য নিম্নলিখিত ধৰণৰ—

১) ই ৰপ্তানি আৰু আমদানিৰ বাবে বিত্তৰ যোগান ধৰা বিত্তীয় প্ৰতিষ্ঠানবোৰৰ বিকাশত সহায় আৰু সমৰ্থনৰ বাবে এক শীৰ্ষ প্ৰতিষ্ঠান হিচাপে কাম কৰে।

২) ই ভাৰতত আৰু বিদেশত সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি আৰু আমদানিৰ বিত্তৰ যোগানৰ সৈতে জড়িত।

৩) ই বিদেশত যুটীয়া উদ্যোগৰ বাবে বিত্তৰ যোগান ধৰে।

৪) ই বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান আৰু ৰপ্তানি-আমদানি ব্যৱসায়ত নিয়োজিত অন্যান্য পক্ষৰ মাজত সমন্বয় সাধন কৰি আহিছে।

৫) ই বৈদেশিক বাণিজ্যৰ সৈতে জড়িত কোম্পানীবোৰৰ অংশ, ঋণপত্ৰ, বণ্ড আদি বিলি কৰাৰ সৈতে সম্পৰ্কিত অৱলেখনকাৰী হিচাপে সেৱা প্ৰদান কৰে।

৬) EXIM বেংকে ৰপ্তানি-আমদানি ব্যৱসায়ত নিয়োজিত পক্ষবোৰক কাৰিকৰী, বিত্তীয়, পৰিচালনামূলক আৰু প্ৰশাসনিক সেৱা প্ৰদান কৰে।

৭) ই ৰপ্তানি আৰু আমদানিৰ বাবে বিত্তীয় যোগান ধৰা বাণিজ্যিক বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহক পুনৰ বিত্তৰ সুবিধা প্ৰদান কৰে।

৮) ই ৰপ্তানি নিবিদা আৰু বৈদেশিক বাণিজ্যৰ চলিত প্ৰকল্পৰ বাবে পুঁজি আৰু অনা-পুঁজি ভিত্তিক সেৱা প্ৰদান কৰে।

৯) EXIM বেংকে বিদেশত বহুপাক্ষিকভাৱে পুঁজি যোগান ধৰা প্ৰকল্পৰ সন্দৰ্ভত ভাৰতীয় ৰপ্তানিকাৰীক আগতীয়া তথ্য আৰু পৰামৰ্শ সেৱা প্ৰদান কৰে।

# সমবায় বেংক
# (CO-OPERATIVE BANK)

সমবায় বেংক হৈছে সহযোগিতাৰ ভিত্তিত স্থাপিত আৰু সাধাৰণ বেকিং ব্যৱসায়ত লেনদেন কৰা এক প্ৰতিষ্ঠান। সহযোগিতাৰ নীতিৰ ওপৰত সমবায় বেংক গঠন কৰা হৈছে। সহযোগিতাৰ অৰ্থ হৈছে সমতাৰ আধাৰত আৰু কোনো উমৈহতীয়া উদ্দেশ্যৰ বাবে স্বেচ্ছামূলক সম্পৰ্ক। সহযোগিতাৰ মৌলিক নীতি হৈছে “প্ৰত্যেকজন সকলোৰে বাবে আৰু সকলোৰে বাবে প্ৰত্যেকজন”।

সমবায় বেংকবোৰ সমবায় নীতিৰ ওপৰত সংগঠিত আৰু পৰিচালনা কৰা হয় আৰু ইয়াৰ বিশেষ আইনী ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। সমবায় বেংকে কৃষি আৰু ইয়াৰ সহযোগী কাৰ্যকলাপৰ বিকাশৰ বাবে গ্ৰাম্য অঞ্চলসমূহক প্ৰতিষ্ঠানগত ঋণ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। ই ভাৰতীয় বিত্তীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ উপাদান। ই ভাৰতত বেংকিং আৰু ঋণ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংশ।

ভাৰতত মুখ্যতঃ সমবায় সমিতি আইন, ১৯০৪ (ভাৰতত প্ৰথম সমবায় আইন) প্ৰণয়নৰ পিছত সমবায় বেংকিং আৰম্ভ কৰা হৈছিল।

সমবায় বেংক দুই প্ৰকাৰৰ। সেইবোৰ হৈছে ঋণ সমবায় আৰু অনা-ঋণ সমবায়। “সমবায় সমিতি আইন ১৯০৪”ৰ ব্যৱস্থা অনুসৰি ঋণ সমবায় গঠন কৰা হয়। ১৯১২ চনত সমবায় আইন প্ৰণয়ন কৰাৰ পিছত, ১৯১২ চনৰ সমবায় আইনৰ ব্যৱস্থা অনুসৰি উপভোক্তা সমবায়, বিপণন সমবায়, সেৱা সমবায় আদিৰ দৰে অ-ঋণ সমবায় গঠন কৰা হয়। সমবায় বেংকবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত হয় আৰু ১৯৬৫ চনত ইয়াৰ সংশোধনৰ পিছত বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। বাণিজ্যিক বেংকৰ দৰে সমবায় বেংকবোৰে ৰাইজৰ পৰা জমা গ্ৰহণ কৰে আৰু সদস্য আৰু অনা-সদস্যসকলক ঋণ প্ৰদান কৰে। বৰ্তমান সমবায় বেংকবোৰে, বিশেষকৈ ৰাজ্যিক পৰ্যায়ৰ সমবায় বেংকবোৰে অনুসূচিত বেংক হিচাপে বাণিজ্যিক বেংকবোৰৰ সৈতে প্ৰতিযোগিতা কৰি আহিছে।

**সমবায় বেংকৰ বৈশিষ্ট্যসমূহ ঃ**

সমবায় বেংকবোৰ কিছুমান দিশত বেংকিং সংগঠনৰ অন্যান্য প্ৰকাৰতকৈ পৃথক। সমবায় বেংকবোৰৰ কিছুমান গুৰুত্বপূৰ্ণ বিশেষত্ব তলত উল্লেখ কৰা হ'ল—

১) সহযোগিতা, স্ব-সহায় আৰু পাৰস্পৰিক সহায়ৰ নীতিৰ ওপৰত সমবায় বেংকবোৰ সংগঠিত আৰু পৰিচালনা কৰা হয়।

২) সদস্যৰ দ্বাৰা ধাৰণ কৰা অংশৰ সংখ্যা নিৰ্বিশেষে ইয়াৰ উদ্দেশ্য হৈছে "এক সদস্য এক ভোট"।

৩) সমবায় বেংকবোৰ চৰকাৰৰ পালিত সন্তান কাৰণ এইবোৰ চৰকাৰী পৃষ্ঠপোষকতা সমৰ্থিত আৰু ৰাজসাহাৰ্যপ্ৰাপ্ত বিত্তীয় প্ৰতিষ্ঠান।

৪) ই আটাইতকৈ অনুকূল বেংকিং খণ্ড কিয়নো সমবায় বেংকৰ ক্ষেত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেংকে নিয়ন্ত্ৰকৰ সলনি প্ৰৱৰ্তনমূলক ভূমিকা পালন কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকে সমবায় বেংকবোৰক বিশেষকৈ সমবায় বেংকৰ দ্বাৰা নগদ সংৰক্ষণ অনুপাত আৰু বিধিগত তাৰল্য অনুপাত জমা ৰখাৰ/সংৰক্ষণ কৰাৰ ক্ষেত্ৰত কিছুমান শিথিলতা প্ৰদান কৰে।

৫) সমবায় বেংকৰ আন এটা বিশেষত্ব হ'ল ই "কোনো লাভ নাই কোনো লোকচান নহয়"ৰ নীতিৰ ওপৰত কাম কৰে।

৬) তিনিটা স্তৰৰ গাঁথনি হৈছে ভাৰতত সমবায় বেংকিঙৰ আন এক বিশেষত্ব। তিনিটা স্তৰৰ গাঁথনি হৈছে—

(ক) গাঁও পৰ্যায়ত প্ৰাথমিক সমবায় সমিতি

(খ) জিলা পৰ্যায়ত কেন্দ্ৰীয় সমবায় বেংক আৰু

(গ) ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক সমবায় বেংক।

৭) সদস্যসকলৰ দায়বদ্ধতা বিশেষকৈ গাঁও পৰ্যায়ৰ প্ৰাথমিক সমবায় সমিতিৰ ক্ষেত্ৰত সীমাহীন।

৮) সমবায় বেংকবোৰে ঋণ লওঁতাসকলক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে। সমবায় বেংকবোৰ হ্ৰস্বম্যাদী আৰু ভূমি উন্নয়ন বেংক দীৰ্ঘম্যাদী ঋণৰ বাবে।

৯) সমবায় বেংকৰ পুঁজিৰ উৎস কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ, ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI), নাবাৰ্ড (NABARD), সদস্য মাচুল, ৰাইজৰ পৰা জমা ইত্যাদি।

১০) সমবায় বেংকবোৰৰ কিছুমান অনুসূচিত আৰু কিছুমান অনা-অনুসূচিত। প্ৰাথমিক সমবায় বেংকবোৰ অনা-অনুসূচিত বেংক আৰু ৰাজ্যিক সমবায় বেংকবোৰ অনুসূচিত বেংক।

# কৃষি বেংক
# (AGRICULTURAL BANK)

কৃষি বেংক হৈছে সেইবোৰ বেংক যি কৃষি আৰু কৃষিৰ সহযোগী কাৰ্যকলাপক সকলো ধৰণৰ ঋণসুবিধা প্ৰদান কৰে। কৃষিখণ্ডৰ বিকাশৰ বাবে কৃষিজীৱী লোকক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী ঋণৰ প্ৰয়োজন। বীজ, ৰাসায়নিক সাৰ, পচন সাৰ, মজুৰি পৰিশোধ আদিৰ ব্যয় পূৰণ কৰিবলৈ হ্ৰস্বম্যাদী পুঁজিৰ প্ৰয়োজন। একেদৰে কৃষিভূমি অধিগ্ৰহণ আৰু উন্নতি, গধূৰ যন্ত্ৰপাতি ক্ৰয় আদিৰ বাবে কৃষকসকলক দীৰ্ঘম্যাদী ঋণৰ প্ৰয়োজন। যিহেতু বাণিজ্যিক বেংক আৰু ঔদ্যোগিক বেংকবোৰ কৃষি বিত্তৰ ক্ষেত্ৰত বিশেষজ্ঞ নহয়, সেয়েহে পৃথক আৰু বিশেষ কৃষি বেংকৰ গুৰুত্ব উপলব্ধি কৰা হৈছে।

**কৃষি বেংকৰ কাৰ্যসমূহ ঃ**

কৃষি বেংকসমূহৰ প্ৰাথমিক উদ্দেশ্য হৈছে কৃষি আৰু অৰ্থনীতিৰ আনুষংগিক খণ্ডৰ বিকাশ। এই বেংকে কৃষি সম্প্ৰদায়ৰ জীৱনধাৰণৰ উন্নত মানদণ্ডৰ বাবে কাম কৰি আছে। কৃষি বেংকৰ কিছুমান গুৰুত্বপূৰ্ণ কাম তলত উল্লেখ কৰা হ'ল।

১) কৃষি বেংকে দেশৰ কৃষি খণ্ডক হ্ৰস্বম্যাদী, মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে।

২) ই গধূৰ কৃষি যন্ত্ৰপাতি আদি ক্ৰয় কৰাত সহায় আৰু ব্যৱস্থা কৰে।

৩) নাবাৰ্ডে (NABARD) কৃষি বেংকৰ পুনৰ বিত্তৰ যোগানকাৰী হিচাপে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী কৃষি বেংকবোৰক পুনৰ বিত্তৰ সুবিধা প্ৰদান কৰে।

৪) ই সমন্বয়কাৰীৰ ভূমিকা পালন কৰে আৰু কৃষিৰ উদ্দেশ্যৰ বাবে ৰাজহুৱা পুঁজিৰ পৰা ঋণ প্ৰদানৰ তত্বাৱধান কৰে।

৫) ই ৰাইজৰ পৰা সাধনি জমা আৰু ম্যাদী জমা সংগ্ৰহ কৰে আৰু কৃষি ক্ষেত্ৰত উৎপাদনশীল ব্যৱহাৰত এই পুঁজিসমূহ যোগান ধৰে।

৬) কৃষি বেংকবোৰে বিশেষকৈ প্ৰাথমিক ঋণ সমবায় সমিতি (PACS)য়ে কৃষিজাত আহিলা যোগান ধৰে আৰু কৃষিজাত সামগ্ৰীৰ বাবে বিপণন সুবিধা প্ৰদান কৰে।

৭) গ্ৰাম্য এলেকাত কৃষি বেংক হিচাপে প্ৰাথমিক ঋণ সমবায় সমিতি (PACS)য়ে চূড়ান্ত ঋণ লওঁতা আৰু নাবাৰ্ডৰ দৰে উচ্চ বিত্তীয় সংগঠনৰ মাজত এক সংযোগ হিচাপে কাম কৰে।

৮) বিভিন্ন কাৰণত শস্যৰ ক্ষতি বা শস্যৰ ক্ষতি ৰক্ষা কৰাৰ বাবে বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত কৃষি বেংকে অনুদান আৰু ৰাজসাহাৰ্যৰ ৰূপত বিত্তীয় সাহাৰ্য আগবঢ়ায়।

## ভূমি উন্নয়ন বেংক
## (LAND DEVELOPMENT BANK)

ভাৰতত ভূমি উন্নয়ন (Land Development Bank) বেংকবোৰ সমবায় ভিত্তিত গঠন কৰা হয়। কৃষকসকলক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ দুয়োটাৰ প্ৰয়োজন। ভূমি উন্নয়ন বেংকে যন্ত্ৰপাতি আৰু সঁজুলি ক্ৰয় কৰা, গৰু ক্ৰয় কৰা আৰু ভূমিৰ স্থায়ী উন্নতি কৰাৰ বাবে কৃষিজীৱীসকলক দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে। আৰম্ভণিতে, ভূমি উন্নয়ন বেংকক ভূমি বন্ধকী বেংক (Land Mortgage Bank) বুলি জনা গৈছিল।। সেইসময়ত কৃষিভূমি বন্ধকীৰ বিপৰীতে কৃষিজীৱী লোকক দীৰ্ঘম্যাদী ঋণ দিয়া হৈছিল। সময়ৰ লগে লগে ই কিছু সমস্যাৰ সৃষ্টি কৰে কিয়নো ঋণ লওঁতা কৃষকসকলে তেওঁলোকৰ ঋণৰ বাবে কৃষিভূমি বন্ধক হিচাপে দিব নোৱাৰিবও পাৰে। পিছলৈ কৃষিজীৱী লোকক দীৰ্ঘম্যাদী ঋণ কৃষিভূমি বন্ধক অবিহনে দিয়া হয়। এই প্ৰথাৰ পিছত সকলো ভূমি বন্ধকী বেংকে (LMB) ইয়াক অনুসৰণ কৰিছিল আৰু তাৰ পিছত নামটো ভূমি বন্ধকী বেংকৰ পৰা ভূমি উন্নয়ন বেংকলৈ সলনি কৰা হৈছে।

ভূমি উন্নয়ন বেংকৰ প্ৰাথমিক উদ্দেশ্য হৈছে কৃষিজীৱীসকলক দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰি কৃষি আৰু আনুষংগিক কাৰ্যকলাপ বিকশিত কৰা। ভূমি উন্নয়ন বেংক হৈছে সমবায় সমিতি আইনৰ অধীনত পঞ্জীভূত সংগঠন। এই বেংকবোৰ ঋণ লওঁতা আৰু অনা-ঋণ লওঁতাৰ সংগঠন। এই বেংকবোৰ সীমিত দায়বদ্ধতাৰ নীতিৰ দ্বাৰা পৰিচালিত। এই বেংকবোৰে ঋণপত্ৰৰ ৰূপত আৰু দীৰ্ঘম্যাদী প্ৰতিভূতি বিলি কৰি তেওঁলোকৰ পুঁজি সংগ্ৰহ কৰে। সংগ্ৰহ কৰা উপাৰ্জনবোৰ কৃষকসকলক দীৰ্ঘম্যাদী ঋণ দিবৰ বাবে ব্যৱহাৰ কৰা হয়। অৰ্থনীতিৰ কৃষি আৰু গ্ৰাম্য খণ্ডৰ বিকাশ আৰু উন্নয়নত ভূমি উন্নয়ন বেংকে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

## সঞ্চয় বেংক
## (SAVINGS BANK)

সঞ্চয় বেংক হৈছে এটা বিত্তীয় প্ৰতিষ্ঠান যাৰ প্ৰাথমিক উদ্দেশ্য হৈছে সঞ্চয়ী জমা গ্ৰহণ কৰা আৰু সেই জমাবোৰৰ ওপৰত সূত পৰিশোধ কৰা। সঞ্চয় বেংকে নিম্ন আয়ৰ লোকসকলক ধন ৰাহি কৰিবলৈ আৰু বেংকিং সেৱাপ্ৰাপ্ত কৰিবলৈ উৎসাহিত কৰে।

সঞ্চয় বেংকবোৰ হৈছে সমাজৰ দুখীয়া আৰু মধ্য আয়ৰ লোকসকলৰ পৰা সঞ্চয় বৃদ্ধি কৰাৰ বাবে বিশেষ বিত্তীয় প্ৰতিষ্ঠান। সঞ্চয় বেংকৰ প্ৰাথমিক উদ্দেশ্য হৈছে নিম্ন উপাৰ্জন থকা লোকসকলৰ মাজত মিতব্যয়ী আৰু সঞ্চয়ৰ অভ্যাসক উৎসাহিত কৰা। জমাকৰ্তাসকলক তেওঁলোকৰ প্ৰয়োজন অনুসৰি জমাৰ পৰিমাণ উলিয়াবলৈ অনুমতি দিয়া হয়। কিন্তু এমাহত কৰিব লগা আহৰণৰ সংখ্যাৰ ওপৰত প্ৰতিবন্ধকতা আছে। সঞ্চয় বেংকে জমাৰ ওপৰত সূত প্ৰদান কৰে আৰু ই জমাকৰ্তাসকলক ধন ৰাহি কৰিবলৈ আৰু লোকসকলৰ সঞ্চয়ৰ অভ্যাস সৃষ্টি কৰাত সহায় কৰিবলৈ উৎসাহিত কৰে।

বিভিন্ন দেশত পৃথক সঞ্চয় বেংকৰ সংগঠন কৰা হয়। ভাৰতত চৰকাৰে সঞ্চয় বেংক চলায় আৰু সেইবোৰ ডাক বিভাগৰ দ্বাৰা পৰিচালিত হয়।

ভাৰতত সঞ্চয় বেংকবোৰক ডাকঘৰ সঞ্চয় বেংক (Post Office Savings Bank) বুলি জনা যায়। ইয়াৰ সমগ্ৰ দেশৰ বেছিভাগ ডাকঘৰ আৰু উপ-ডাকঘৰত কাম কৰাৰ সুবিধা আছে। POSBৰ আন এটা সুবিধা হ'ল পৰিশোধ বিফলতাৰ ক্ষেত্ৰত জমাকৰ্তাসকলক কেন্দ্ৰীয় চৰকাৰৰ পোনপটীয়া গেৰাণ্টি/জামিন।

## আন্তৰ্জাতিক বেংক
## (INTERNATIONAL BANK)

যিবোৰ বেংকে তেওঁলোকৰ বেংকিং ব্যৱসায়ৰ সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰিছে সেইবিলাকক আন্তৰ্জাতিক বেংক বুলি কোৱা হয়। ইয়াৰ বিশ্বব্যাপী বেংকিং কাৰ্যকলাপৰ পৰিসৰ আছে। ই আন্তৰ্জাতিক বিত্তৰ সমস্যা সমাধানত সহায় কৰে। ব্যক্তি আৰু নিগম-নিকায়সমূহ আন্তৰ্জাতিক বেংকৰ গ্ৰাহক

হ'ব পাৰে। এই বেংকৰ ব্যৱসায়িক পদ্ধতিবোৰ আন্তৰ্জাতিক নীতি-নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। তদুপৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা গ্ৰাহক বাছনি সম্পৰ্কে ইয়াৰ নিজা ব্যৱসায়িক নীতি আছে। বেছিভাগ ক্ষেত্ৰতে সংশ্লিষ্ট গ্ৰাহকৰ চৰকাৰে ঋণ পৰিশোধৰ গেৰাণ্টি দিব লাগিব। আন্তৰ্জাতিক বেংকে ব্যৱসায়ীজনক তেওঁলোকৰ ব্যৱসায়িক কাৰ্যকলাপ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ সম্প্ৰসাৰিত কৰাত সহায় কৰে।

আন্তৰ্জাতিক বেংকবোৰ বৈদেশিক মুদ্ৰা বজাৰৰ সক্ৰিয় সদস্য আৰু ইয়াৰ গ্ৰাহকক বৈদেশিক মুদ্ৰা লেনদেনৰ সৈতে মোকাবিলা কৰাত সহায় কৰে। তেওঁলোকে কিছুমান গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় বিষয়ত ইয়াৰ গ্ৰাহকসকলক কিছুমান পৰামৰ্শমূলক সেৱাও প্ৰদান কৰে। সাধাৰণতে আন্তৰ্জাতিক বেংকে গ্ৰাহকক নিম্নতম সূতৰ হাৰৰ বিপৰীতে দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে।

ইয়াত উল্লেখ কৰিব লাগিব যে আন্তৰ্জাতিক বেংক আৰু আন্তঃৰাষ্ট্ৰীয় বেংকিঙৰ মাজত পাৰ্থক্য আছে। যেতিয়া বেংকিং ব্যৱসায়ৰ পৰিসৰ বিশ্বৰ বিভিন্ন দেশলৈ বিয়পি পৰে, ইয়াক আন্তৰ্জাতিক বেংকিং বুলি কোৱা হয়। কিন্তু আন্তৰ্জাতিক বেংকসমূহ বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ দ্বাৰা উমৈহতীয়া লক্ষ্য আৰু উদ্দেশ্যৰে প্ৰতিষ্ঠা কৰা হয়। কিছুমান আন্তৰ্জাতিক বেংক হৈছে—

১) International Bank for Reconstruction and Development (IBRD).

২) Internatioanl Monetary Fund (IMF).

৩) Bank for Internatioanal Settlements (BIS).

৪) International Finance Corporation (IFC).

৫) International Development Association (IDA).

৬) Multilateral Investment Guarantee Agency (MIGA).

---

**কেন্দ্ৰীয় বেংক আৰু বাণিজ্যিক বেংকৰ মাজত পাৰ্থক্য**

(Differences between Central Bank and Commercial Bank) ঃ

কেন্দ্ৰীয় বেংক আৰু বাণিজ্যিক বেংক দুয়োটাই বিত্তীয় প্ৰতিষ্ঠান। নিম্নলিখিত বিষয়বোৰে কেন্দ্ৰীয় বেংক আৰু বাণিজ্যিক বেংকৰ মাজৰ পাৰ্থক্য স্পষ্ট কৰে।

| আধাৰ | কেন্দ্ৰীয় বেংক | বাণিজ্যিক বেংক |
|---|---|---|
| অৰ্থ | কেন্দ্ৰীয় বেংক হৈছে এক স্বতন্ত্ৰ বিত্তীয় প্ৰতিষ্ঠান যি এখন ৰাষ্ট্ৰৰ সমগ্ৰ মুদ্ৰা, বেংকিং আৰু অৰ্থনৈতিক নীতি তদাৰক কৰাৰ বাবে দায়বদ্ধ। | কিন্তু বাণিজ্যিক বেংক হৈছে বেংকিং আৰু অৰ্থনৈতিক প্ৰণালীৰ এক অংশ যি ব্যৱসায়, বাণিজ্য আৰু বেপাৰৰ স্বাভাৱিক বেংকিং সেৱাৰ সৈতে সম্পৰ্কিত। |
| সংগঠন | কেন্দ্ৰীয় বেংক দেশৰ বিশেষ আইনৰ দ্বাৰা গঠন কৰা হয়। | দেশৰ উমৈহতীয়া বেংকিং আইনৰ ব্যৱস্থা অনুসৰি বাণিজ্যিক বেংক গঠন কৰা হয়। |
| উদ্দেশ্যসমূহ | কেন্দ্ৰীয় বেংক এটাৰ প্ৰাথমিক উদ্দেশ্য হৈছে লাভ অৰ্জন নকৰা। ইয়াৰ লক্ষ্য হৈছে ৰাষ্ট্ৰীয় কল্যাণ। | বাণিজ্যিক বেংক এটাৰ প্ৰাথমিক উদ্দেশ্য হৈছে লাভ অৰ্জন কৰা। |
| নোটৰ প্ৰৱৰ্তন | সাধাৰণতে প্ৰতিখন দেশৰ কেন্দ্ৰীয় বেংকৰ নোট প্ৰৱৰ্ত্তনৰ একচেটিয়া ক্ষমতা থাকে। | বাণিজ্যিক বেংকৰ নোট প্ৰৱৰ্ত্তনৰ কোনো ক্ষমতা নাই। |
| স্থান | কেন্দ্ৰীয় বেংক হৈছে এখন দেশৰ শীৰ্ষ বিত্তীয় প্ৰতিষ্ঠান। | বাণিজ্যিক বেংকবোৰ কেন্দ্ৰীয় বেংকৰ অধীনস্থ। |
| ৰাইজৰ সৈতে লেনদেন | কেন্দ্ৰীয় বেংকে পোনপটীয়াকৈ ৰাইজৰ সৈতে লেনদেন নকৰে। | বাণিজ্যিক বেংকবোৰে পোনপটীয়াকৈ ৰাইজৰ সৈতে লেনদেন কৰে। |
| কাৰ্য | সাধাৰণতে কেন্দ্ৰীয় বেংকৰ কাৰ্যৰ পৰিসৰ এখন দেশৰ ভিতৰত থাকে। | এটা বাণিজ্যিক বেংকে বিশ্বৰ বিভিন্ন দেশলৈ বেংকিং সেৱা সম্প্ৰসাৰিত কৰিব পাৰে। |
| ঋণ নিয়ন্ত্ৰণ আৰু ঋণ সৃষ্টি | কেন্দ্ৰীয় বেংকে ঋণ নিয়ন্ত্ৰণ কৰে। | বাণিজ্যিক বেংকে ঋণ সৃষ্টি কৰে। |
| মুদ্ৰা নীতি | কেন্দ্ৰীয় বেংকে দেশৰ মুদ্ৰা নীতি প্ৰৱৰ্তন কৰে। | বাণিজ্যিক বেংকে কেন্দ্ৰীয় বেংকৰ দ্বাৰা প্ৰস্তুত কৰা মুদ্ৰা নীতি কাৰ্যকৰী কৰে। |
| নিয়ন্ত্ৰণ | কেন্দ্ৰীয় বেংক হৈছে দেশৰ সমগ্ৰ বেংকিং ব্যৱস্থাৰ নিয়ন্ত্ৰক আৰু নিয়ন্ত্ৰণকৰ্তা। | বাণিজ্যিক বেংকৰ তেনে কোনো কৰ্তৃত্ব নাই। |

**বাণিজ্যিক বেংক আৰু উন্নয়ন বেংকৰ মাজত পাৰ্থক্য**

(Differences between Commercial Bank and Development Bank) ঃ উন্নয়ন বেংকবোৰে নিম্নলিখিত বিষয়বোৰত বাণিজ্যিক বেংকতকৈ পৃথক।

| আধাৰ | বাণিজ্যিক বেংক | উন্নয়ন বেংক |
|---|---|---|
| জমা গ্ৰহণ | বাণিজ্যিক বেংকে ৰাইজৰ পৰা চাহিদা অনুসৰি পৰিশোধ যোগ্য জমা গ্ৰহণ কৰে। | উন্নয়ন বেংকে নিৰ্ধাৰিত সময় উকলি যোৱাৰ পিছত পৰিশোধ যোগ্য জমা গ্ৰহণ কৰে। |
| সঞ্চয় সংগ্ৰহৰ পদ্ধতি | বাণিজ্যিক বেংকবোৰে বেংকৰ বিভিন্ন হিচাব যেনে— সঞ্চয় জমা হিচাব, চলিত জমা হিচাব, পৌনঃপুনিক জমা হিচাব, স্থায়ী জমা হিচাব আদিৰ জৰিয়তে ৰাইজৰ পৰা সঞ্চয় সংগ্ৰহ কৰে। | উন্নয়ন বেংকবোৰে বিভিন্ন আঁচনিৰ জৰিয়তে বা দীৰ্ঘম্যাদী দলীল যেনে— ঋণপত্ৰ, বণ্ড আদি বিলিৰ দ্বাৰা ৰাইজৰ পৰা সঞ্চয় সংগ্ৰহ কৰে। |
| ঋণ সৃষ্টি | বাণিজ্যিক বেংকবোৰে ঋণ সৃষ্টি কৰিব পাৰে। | উন্নয়ন বেংকে ঋণ সৃষ্টি কৰিব নোৱাৰে। |
| ঋণৰ ম্যাদ | বাণিজ্যিক বেংকবোৰে সাধাৰণতে মুদ্ৰা বজাৰত হ্ৰস্বম্যাদী ঋণৰ লেনদেন কৰে। | উন্নয়ন বেংকবোৰে মূলধন বজাৰত মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী পুঁজিৰ লেনদেন কৰে। |
| কাৰ্যৰ প্ৰকৃতি | বাণিজ্যিক বেংকবোৰ স্বভাৱত সমগোটৰ আৰু একে প্ৰকৃতিৰ ব্যৱসায় কৰে। | উন্নয়ন বেংকবোৰ বৈষম্যমূলক গোটৰ সমষ্টি আৰু ই বিভিন্ন ব্যৱসায় কৰে। |
| নগদ সংৰক্ষণ অনুপাত | বাণিজ্যিক বেংকসমূহে কেন্দ্ৰীয় বেংকৰ ওচৰত নগদ সংৰক্ষণ অনুপাত জমা কৰি ৰাখিব লাগে। | উন্নয়ন বেংকবোৰে কেন্দ্ৰীয় বেংকৰ ওচৰত নগদ সংৰক্ষণ অনুপাত জমা কৰি ৰখাৰ প্ৰয়োজন নাই। |
| জমাৰ উদ্দেশ্য | সাধাৰণতে মানুহে সুৰক্ষা, তৰলতা আৰু সুবিধাৰ উদ্দেশ্যৰে বাণিজ্যিক বেংকৰ ওচৰত ধন জমা কৰে। | মানুহে তেওঁলোকৰ অতিৰিক্ত ধন উপাৰ্জনৰ বাবে উন্নয়ন বেংকত বিনিয়োগ কৰে। |
| ঋণৰ উদ্দেশ্য | সাধাৰণতে বাণিজ্যিক বেংকবোৰে বেপাৰ, বাণিজ্য আৰু উদ্যোগৰ কাৰ্যকৰী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ হ্ৰস্বম্যাদী ঋণ প্ৰদান কৰে। | উন্নয়ন বেংকে ব্যৱসায়িক সম্প্ৰদায়ৰ স্থায়ী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ঋণ প্ৰদান কৰে। |
| নিয়ন্ত্ৰণ | বাণিজ্যিক বেংকবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত। | উন্নয়ন বেংকবোৰ ইয়াৰ নিজা বিশেষ আইনৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। |

## বাণিজ্যিক বেংক আৰু সমবায় বেংকৰ মাজত পাৰ্থক্য

(Differences between Commercial Bank and Co-operative Bank) ঃ

সংগঠিত খণ্ডৰ অধীনত বাণিজ্যিক বেংক আৰু সমবায় বেংকে দেশৰ বেংকিং প্ৰতিষ্ঠান হিচাপে কাম কৰি আছে। এই দুয়োবিধ বেংকে ৰাইজক বেংকিং সেৱা প্ৰদান কৰে। বাণিজ্যিক বেংক আৰু সমবায় বেংকবোৰৰ পৰিচালনা আৰু কাম নিম্নলিখিত বিষয়বোৰত পৃথক।

| আধাৰ | বাণিজ্যিক বেংক | সমবায় বেংক |
|---|---|---|
| সংগঠন | দেশৰ উমৈহতীয়া বেংকিং আইনৰ অধীনত বাণিজ্যিক বেংকসমূহ সংগঠিত কৰা হয়। (২০১৩ চনৰ কোম্পানী আইন অনুসৰি স্থাপিত আৰু বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯, আৰু ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪ ৰ অধীনত বাণিজ্যিক বেংকবোৰ নিয়ন্ত্ৰিত হয়।) | সমবায় সমিতি আইন, ১৯০৪-ৰ অধীনত সমবায় বেংক স্থাপন কৰা হয়। |
| কাৰ্যৰ পৰিসৰ | বাণিজ্যিক বেংকৰ কাৰ্য ক্ষেত্ৰ বহুত ডাঙৰ। ইয়াক সমগ্ৰ দেশলৈ আৰু আনকি দেশৰ বাহিৰলৈও সম্প্ৰসাৰিত কৰা হ'ব পাৰে। | সমবায় বেংকৰ কাৰ্য ক্ষেত্ৰ এটা নিৰ্দিষ্ট এলেকাত বা বেছিভাগেই ৰাজ্যৰ ভিতৰত সীমাবদ্ধ। |
| উদ্দেশ্য | লাভৰ উদ্দেশ্য হৈছে বাণিজ্যিক বেংকৰ প্ৰাথমিক উদ্দেশ্য। | সমবায় বেংকবোৰে সেৱাৰ উদ্দেশ্যৰে তেওঁলোকৰ বেংকিং ব্যৱসায় চলাই আছে। |
| গাঁথনি | সাধাৰণতে একক গাঁথনিৰ অধীনত বাণিজ্যিক বেংকবোৰ সংগঠিত কৰা হয়। | সমবায় বেংকবোৰক তিনিটা স্তৰত স্থাপন কৰা হৈছে। (ৰাজ্যিক স্তৰ, জিলা স্তৰ আৰু স্থানীয়/গাঁও স্তৰ)। |
| সদস্য | ভাৰতত নিম্নতম সাতজন সদস্যই যুটীয়া মূলধনী ৰাজহুৱা কোম্পানী হিচাপে বাণিজ্যিক বেংক গঠন কৰিব পাৰে। | নিম্নতম দহজন সদস্যই সমবায় নীতিৰ আধাৰত এটা সমবায় বেংক গঠন কৰিব পাৰে। |
| ঋণৰ ম্যাদ | ব্যৱসায়িক সম্প্ৰদায়ৰ কাৰ্যকৰী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ বাণিজ্যিক বেংকবোৰে সাধাৰণতে হ্ৰস্বম্যাদী ঋণ প্ৰদান কৰে। | সমবায় বেংকে দেশৰ কৃষি আৰু গ্ৰাম্য খণ্ডক হ্ৰস্বম্যাদী, মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে। |
| ভোটদানৰ অধিকাৰ | বাণিজ্যিক বেংকত ঋণ লওঁতাৰ কোনো ভোটদানৰ অধিকাৰ নাই। | সমবায় বেংকবোৰত ঋণ লওঁতাসকলও অংশীদাৰ আৰু সেয়েহে তেওঁলোকৰ ভোটদানৰ অধিকাৰ আছে। |
| দায়বদ্ধতা | বাণিজ্যিক বেংকৰ ক্ষেত্ৰত সদস্যসকলৰ দায়বদ্ধতা ধাৰণ কৰা অংশৰ পৰিমাণত সীমিত। | সমবায় বেংকৰ ক্ষেত্ৰত, বিশেষকৈ প্ৰাথমিক কৃষি ঋণ সমবায় সমিতিৰ সদস্যসকলৰ দায়বদ্ধতা সীমাহীন। |
| নিয়ন্ত্ৰণ | বাণিজ্যিক বেংকবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪ আৰু বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। | সমবায় বেংকবোৰ মুখ্যতঃ সমবায় সমিতি আইন, ১৯০৪-ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। |

## সাৰাংশ

- **বিনিময় বেংক / বিদেশী বেংক—**

বিনিময় বেংকবোৰে বৈদেশিক মুদ্ৰাত লেনদেন কৰে। ই আন্তৰ্জাতিক বাণিজ্যিৰ বাবে বিত্তীয় যোগান ধৰাত বিশেযজ্ঞ। এই বেংকবোৰ বৈদেশিক মুদ্ৰা লেনদেনত নিয়োজিত কাৰণে তেওঁলোকক বৈদেশিক মুদ্ৰা বেংক বুলিও জনা যায়।

**বিনিময় বেংকৰ কাৰ্য/সেৱাসমূহ—**

১) বিনিময় বেংকবোৰে ভাৰতলৈ বিদেশী বিনিয়োগৰ প্ৰবাহক উৎসাহিত কৰে।

২) বৈদেশিক বিনিময় বিল বাট্টাত ভঙোৱা কাৰ্যত নিয়োজিত হয়।

৩) পুঁজিৰ বৈদেশিক স্থানান্তৰৰ সেৱা প্ৰদান কৰে।

৪) সোণ আৰু ৰূপ ক্ৰয় আৰু বিক্ৰী হৈছে বিনিময় বেংকৰ আন এক গুৰুত্বপূৰ্ণ কাম।

৫) বিনিময় বেংকে বৈদেশিক বাণিজ্যত প্ৰত্যয় পত্ৰ জাৰী কৰে।

৬) ই আন্তৰ্জাতিক বাণিজ্যৰ সুবিধা প্ৰদান আৰু বিত্তৰ যোগান ধৰে।

৭) ই বিদেশী মুদ্ৰাত লেনদেন সম্পৰ্কে বিভিন্ন অনুমোদন পোৱাত প্ৰয়োজনীয় সহায় প্ৰদান কৰে।

- **আঞ্চলিক গ্ৰাম্য বেংক—**

আঞ্চলিক গ্ৰাম্য বেংক হৈছে গ্ৰাম্য ভিত্তিক ৰাজহুৱা খণ্ডৰ বাণিজ্যিক বেংক। আৰম্ভণিতে আঞ্চলিক গ্ৰাম্য বেংকৰ অংশ মূলধন কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু পৃষ্ঠাপোষকতা কৰা বেংকে ক্ৰমান্বয়ে ৫০:১৫:৩৫ অনুপাতত বহন কৰে। পৃষ্ঠপোষকতা কৰা বেংক হিচাপে আঞ্চলিক গ্ৰাম্য বেংকৰ কাৰ্যকলাপ সুচাৰুৰূপে পৰিচালনাৰ বাবে বাণিজ্যিক বেংকে প্ৰয়োজনীয় পুঁজি, পৰামৰ্শ আৰু নিৰ্দেশনা প্ৰদান কৰে।

- **আঞ্চলিক গ্ৰাম্য বেংকৰ কাৰ্যসমূহ—**

১) আঞ্চলিক গ্ৰাম্য বেংকে বিভিন্ন প্ৰকাৰৰ হিচাবৰ জৰিয়তে ৰাইজৰ পৰা আমানত গ্ৰহণ কৰে।

২) ই গ্ৰাম্য আৰু অৰ্ধ নগৰ অঞ্চলৰ লোকসকলক বিশেষকৈ ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষক, শিল্পী আদিক ঋণ আৰু অগ্ৰিম প্ৰদান কৰে।

৩) ই বিভিন্ন চৰকাৰী আঁচনিৰ যেনে MGNRGAৰ মজুৰি বিতৰণ, পেঞ্চন বিতৰণ আদিৰ দৰে কামবোৰ সম্পাদন কৰে।

৪) ই জনসাধাৰণক কিছুমান প্ৰতিনিধিত্বমূলক সেৱা আৰু ৰাজহুৱা উপযোগিতা সেৱাও প্ৰদান কৰে।

৫) ই কিছুমান গুৰুত্বপূৰ্ণ আধুনিক বেংকিং সুবিধা প্ৰদান কৰে যেনে ডেবিট আৰু ক্ৰেডিট কাৰ্ডৰ সেৱা, মোবাইল বেংকিং, ইণ্টাৰনেট বেংকিং ইত্যাদি।

- **বিনিয়োগ বেংক/উদ্যোগিক বেংক—**

উদ্যোগসমূহৰ অংশ, ঋণপত্ৰ আৰু মূলধন বিলি আদিৰ অৱলেখনত বিনিয়োগৰ জৰিয়তে ঔদ্যোগিক খণ্ডৰ বিকাশৰ বাবে বিনিয়োগ বেংক প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ আছে।

- **বিনিয়োগ বেংকৰ কাৰ্যসমূহ—**

১) বিনিয়োগ বেংকে ৰাইজৰ পৰা কেৱল দীৰ্ঘম্যাদী জমা গ্ৰহণ কৰে।

২) ই ভূমি, ভৱন আৰু অন্যান্য স্থায়ী সম্পত্তি ক্ৰয় কৰাৰ বাবে উদ্যোগবোৰক দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে।

৩) ই বৃহৎ ঔদ্যোগিক সংগঠনৰ প্ৰতিভূতি বিলিৰ অৱলেখন কৰি উদ্যোগবোৰক সহায় কৰে।

৪) ই উদ্যোগবোৰৰ দক্ষ ব্যৱস্থাপনাৰ বাবে পৰামৰ্শ আৰু কাৰিকৰী নিৰ্দেশনা প্ৰদান কৰে।

৫) ই কোম্পানী এটাক মুদ্ৰা, ঋণ, তৰলতা আদিৰ ক্ষেত্ৰত বিত্তীয় বিপদাশংকা নিয়ন্ত্ৰণ কৰাত সহায় কৰে।

- **উন্নয়ন বেংক—**

উন্নয়ন বেংক হৈছে এক বহুমুখী বিত্তীয় প্ৰতিষ্ঠান। ই ব্যৱসায়িক গোটবোৰক সকলো ধৰণৰ বিত্তীয়

সাহার্য (মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী) যেনে— ঋণ, অৱলেখন, বিনিয়োগ আৰু জামিন কাৰ্যকলাপ আৰু প্ৰৱৰ্তনমূলক কাৰ্যকলাপৰ ৰূপত প্ৰদান কৰে। মূলতঃ উন্নয়ন বেংক হৈছে এক ম্যাদী ঋণ প্ৰদান কাৰী প্ৰতিষ্ঠান। ইয়াৰ দৃষ্টিভংগী বিকাশমুখী।

- **উন্নয়ন বেংকৰ বৈশিষ্ট্য—**

  ১) ই এক বহুমুখী বিত্তীয় প্ৰতিষ্ঠান।

  ২) উন্নয়ন বেংকসমূহ মুখ্যতঃ উন্নয়নমুখী।

  ৩) ইয়াৰ মুখ্য উদ্দেশ্য হৈছে লাভৰ সলনি ৰাজহুৱা আৰু ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰা।

  ৪) উন্নয়ন বেংকে ৰাইজৰ পৰা সাধনি জমা গ্ৰহণ নকৰে।

  ৫) ই ঔদ্যোগিক গোটবোৰক মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী বিত্ত প্ৰদান কৰে।

  ৬) ই হৈছে এক বিশেষ বিত্তীয় প্ৰতিষ্ঠান।

- **উন্নয়ন বেংকৰ কাৰ্যসমূহ—**

  ১) উন্নয়নমূলক সাহাৰ্য প্ৰদান কৰা

  ২) ভাৰসাম্য আঞ্চলিক বিকাশ

  ৩) ক্ষুদ্ৰ উদ্যোগীসকলক সাহাৰ্য

  ৪) নতুন উদ্যোগী গঢ়াত সহায় কৰে

  ৫) ধন জমা গ্ৰহণ কৰে

  ৬) মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে

  ৭) মূলধন সংগ্ৰহ কৰাত সহায় কৰে

  ৮) বহুমুখী সেৱা আগবঢ়ায়

  ৯) বিনিয়োগ প্ৰকল্প আৱিষ্কাৰ কৰে

  ১০) প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা

  ১১) বিদেশী মূলধন সংগ্ৰহ কৰে

১২) বজাৰ আৰু বিনিয়োগ গৱেষণা কৰে।

- **ভাৰতীয় ৰপ্তানি-আমদানি বেংক—**

ভাৰতৰ বৈদেশিক বাণিজ্যৰ বাবে বিত্তৰ যোগান ধৰিবৰ বাবে ১ জানুৱাৰী, ১৯৮২ তাৰিখে ভাৰতীয় ৰপ্তানি-আমদানি বেংক স্থাপন কৰা হৈছিল। এইটো আমাৰ দেশৰ বৈদেশিক বাণিজ্যৰ বাবে বিত্তীয় যোগানৰ ক্ষেত্ৰত শীৰ্ষ বেংকিং প্ৰতিষ্ঠান।

ৰপ্তানি-আমদানি বেংক (EXIM) হৈছে এক বেংক যি দেশৰ বৈদেশিক বাণিজ্যৰ বিকাশ আৰু উন্নয়ন নিশ্চিত কৰে। ই ৰপ্তানি আৰু আমদানিকৰ্তাসকলক বিত্তীয় আৰু অন্যান্য সহায় প্ৰদান কৰে।

- **ভাৰতীয় ৰপ্তানি-আমদানি বেংক** (EXIM Bank)**ৰ কাৰ্যসমূহ—**

১) ই ৰপ্তানি আৰু আমদানিৰ বাবে বিত্তৰ যোগান ধৰা বিত্তীয় প্ৰতিষ্ঠানবোৰৰ বিকাশত সহায় আৰু সমৰ্থনৰ বাবে এক শীৰ্ষ প্ৰতিষ্ঠান হিচাপে কাম কৰে।

২) ই ভাৰতত আৰু বিদেশত সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি আৰু আমদানিৰ বিত্তৰ যোগানৰ সৈতে জড়িত।

৩) ই বিদেশত যুটীয়া উদ্যোগৰ বাবে বিত্ত যোগান ধৰে।

৪) ই বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান আৰু ৰপ্তানি-আমদানি ব্যৱসায়ত নিয়োজিত অন্যান্য পক্ষৰ মাজত সমন্বয় সাধন কৰি আহিছে।

৫) ই বৈদেশিক বাণিজ্যৰ সৈতে জড়িত কোম্পানীবোৰৰ অংশ, ঋণপত্ৰ, বণ্ড আদি বিলি কৰাৰ সৈতে সম্পৰ্কিত অৱলেখনকাৰী হিচাপে সেৱা প্ৰদান কৰে।

- **সমবায় বেংক—**

সমবায় বেংক হৈছে সহযোগিতাৰ ভিত্তিত স্থাপিত আৰু সাধাৰণ বেকিং ব্যৱসায়ত লেনদেন কৰা এক প্ৰতিষ্ঠান। সহযোগিতাৰ নীতিৰ ওপৰত সমবায় বেংক গঠন কৰা হৈছে। সহযোগিতাৰ অৰ্থ হৈছে সমতাৰ আধাৰত আৰু কোনো উমৈহতীয়া উদ্দেশ্যৰ বাবে স্বেচ্ছামূলক সম্পৰ্ক। সহযোগিতাৰ মৌলিক নীতি হৈছে "প্ৰত্যেকজন সকলোৰে বাবে আৰু সকলোৰে বাবে প্ৰত্যেকজন"।

- **সমবায় বেংকৰ বৈশিষ্ট্যসমূহ—**

১) সহযোগিতা, স্ব-সহায় আৰু পাৰস্পৰিক সহায়ৰ নীতিৰ ওপৰত সমবায় বেংকবোৰ সংগঠিত আৰু পৰিচালনা কৰা হয়।

২) ইয়াৰ উদ্দেশ্য হৈছে "এক সদস্য এক ভোট"।

৩) ই "কোনো লাভ নাই কোনো লোকচান নহয়"ৰ নীতিৰ ওপৰত কাম কৰে।

৪) তিনিটা স্তৰৰ গাঁথনি হৈছে ভাৰতত সমবায় বেংকিঙৰ আন এক বিশেষত্ব।

৫) সদস্যসকলৰ দায়বদ্ধতা বিশেষকৈ গাঁও পৰ্যায়ৰ প্ৰাথমিক সমবায় সমিতিৰ ক্ষেত্ৰত সীমাহীন।

৬) সমবায় বেংকবোৰে ঋণ লওঁতাসকলক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে।

- **কৃষি বেংক—**

কৃষি বেংক হৈছে সেই বেংক যি কৃষি আৰু কৃষিৰ সহযোগী কাৰ্যকলাপক সকলো ধৰণৰ ঋণ সুবিধা প্ৰদান কৰে।

- **কৃষি বেংকৰ কাৰ্যসমূহ—**

১) কৃষি বেংকে দেশৰ কৃষি খণ্ডক হ্ৰস্ব, মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে।

২) ই গধূৰ কৃষি যন্ত্ৰপাতি আদি ক্ৰয় কৰাত সহায় আৰু ব্যৱস্থা কৰে।

৩) নাবাৰ্ডে (NABARD) কৃষি বেংকৰ পুনৰ বিত্তৰ যোগানকাৰী হিচাপে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী কৃষি বেংকবোৰক পুনৰ বিত্তৰ সুবিধা প্ৰদান কৰে।

৪) ই সমন্বয়কাৰীৰ ভূমিকা পালন কৰে আৰু কৃষিৰ উদ্দেশ্যৰ বাবে ৰাজহুৱা পুঁজিৰ পৰা ঋণ প্ৰদানৰ তত্বাৱধান কৰে।

৫) ই ৰাইজৰ পৰা সাধনি জমা আৰু ম্যাদী জমা সংগ্ৰহ কৰে আৰু কৃষি ক্ষেত্ৰত উৎপাদনশীল ব্যৱহাৰত এই পুঁজিসমূহ যোগান ধৰে।

- **ভূমি উন্নয়ন বেংক—**

ভাৰতত ভূমি উন্নয়ন (Land Development Bank) বেংকবোৰ সমবায় ভিত্তিত গঠন কৰা হয়। কৃষকসকলক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ দুয়োটাৰ প্ৰয়োজন। ভূমি উন্নয়ন বেংকে যন্ত্ৰপাতি আৰু সঁজুলি ক্ৰয় কৰা, গৰু ক্ৰয় কৰা আৰু ভূমিত স্থায়ী উন্নতি কৰাৰ বাবে কৃষিজীৱীসকলক দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰে। আৰম্ভণিতে, ভূমি উন্নয়ন বেংকক ভূমি বন্ধকী বেংক (Land Mortgage Bank) বুলি জনা গৈছিল।

ভূমি উন্নয়ন বেংকৰ প্ৰাথমিক উদ্দেশ্য হৈছে কৃষিজীৱীসকলক দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰি কৃষি আৰু

আনুষংগিক কাৰ্যকলাপ বিকশিত কৰা।

- **সঞ্চয় বেংক—**

সঞ্চয় বেংক হৈছে বিত্তীয় প্ৰতিষ্ঠান যাৰ প্ৰাথমিক উদ্দেশ্য হৈছে সঞ্চয়ী জমা গ্ৰহণ কৰা আৰু সেই জমাবোৰৰ ওপৰত সূত পৰিশোধ কৰা। সঞ্চয় বেংকে নিম্ন আয়ৰ লোকসকলক ধন ৰাহি কৰিবলৈ আৰু বেংকিং সেৱাপ্ৰাপ্ত কৰিবলৈ উৎসাহিত কৰে।

সঞ্চয় বেংকবোৰ হৈছে সমাজৰ দুখীয়া আৰু মধ্য আয়ৰ লোকসকলৰ পৰা সঞ্চয় বৃদ্ধি কৰাৰ বাবে বিশেষ বিত্তীয় প্ৰতিষ্ঠান।

- **আন্তৰ্জাতিক বেংক—**

যিবোৰ বেংকে তেওঁলোকৰ বেংকিং ব্যৱসায়ৰ সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰিছে সেইবিলাকক আন্তৰ্জাতিক বেংক বুলি কোৱা হয়। ই আন্তৰ্জাতিক বিত্তৰ সমস্যা সমাধানত সহায় কৰে। ব্যক্তি আৰু নিগম-নিকায়সমূহ আন্তৰ্জাতিক বেংকৰ গ্ৰাহক হ'ব পাৰে। এই বেংকৰ ব্যৱসায়িক পদ্ধতিবোৰ আন্তৰ্জাতিক নীতি-নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।

কেইটামান আন্তঃৰাষ্ট্ৰীয় বেংকৰ নাম—

১) International Bank for Reconstruction and Development (IBRD).

২) Internatioanl Monetary Fund (IMF).

৩) Bank for Internatioanal Settlements (BIS).

৪) International Finance Corporation (IFC).

৫) International Development Association (IDA).

৬) Multilateral Investment Guarantee Agency (MIGA).

——

গোট - ২

## <u>প্ৰশ্নাৱলী</u>

**ক) অতি চমু উত্তৰ দিয়া ঃ** *প্ৰতিটোত ১ নম্বৰ*

(১) এখন দেশৰ বেংকিং ব্যৱস্থাৰ শীৰ্ষতম অনুষ্ঠানটোৰ নাম কি?

(২) কোন বেংকক অন্তিম মুহূৰ্তৰ ঋণদাতা বুলি কোৱা হয়?

**খ) চমু উত্তৰ দিয়া ঃ** *প্ৰতিটোত ২ নম্বৰ*

(১) কেন্দ্ৰীয় বেংক কাক বোলে?

(২) বাণিজ্যিক বেংক কাক বোলে?

(৩) সঞ্চয় বেংক কাক বোলে?

(৪) বিনিয়োগ/উদ্যোগিক বেংক কাক বোলে?

(৫) উন্নয়ন বেংক কাক বোলে?

(৬) বিনিময় বেংক কাক বোলে?

(৭) সমবায় বেংক কাক বোলে?

(৮) আন্তঃৰাষ্ট্ৰীয় বেংক কাক বোলে?

(৯) ৰপ্তানি-আমদানি বেংক কাক বোলে?

**গ) দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-১) ঃ** *প্ৰতিটোত ৫ নম্বৰ*

(১) বিনিময় বেংকৰ প্ৰধান কাৰ্যসমূহ কি কি?

(২) আঞ্চলিক গ্ৰাম্য বেংকৰ কাৰ্যসমূহ বৰ্ণনা কৰা।

(৩) আঞ্চলিক গ্ৰাম্য বেংকৰ প্ৰধান উদ্দেশ্যসমূহ কি কি?

(৪) বিনিয়োগ/উদ্যোগিক বেংকৰ কাৰ্যসমূহ কি কি?

(৫) উন্নয়ন বেংকৰ বিভিন্ন প্ৰকাৰৰ কাৰ্যসমূহ কি কি?

(৬) সমবায় বেংকৰ বৈশিষ্ট্যসমূহ কি কি?

(৭) ৰপ্তানি-আমদানি বেংকৰ পাঁচটা কাৰ্য লিখা।

(৮) কেন্দ্ৰীয় বেংক আৰু বাণিজ্যিক বেংকৰ পাৰ্থক্য লিখা।

(৯) বাণিজ্যিক বেংক আৰু সমবায় বেংকৰ পাৰ্থক্য লিখা।

(১০) বাণিজ্যিক বেংক আৰু উন্নয়ন বেংকৰ পাৰ্থক্য লিখা।

**ঘ) দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-২) ঃ** *প্ৰতিটোত ৮ নম্বৰ*

(১) কেন্দ্ৰীয় বেংকৰ বিভিন্ন কাৰ্যসমূহ আলোচনা কৰা।

(২) বাণিজ্যিক বেংকৰ প্ৰাথমিক কাৰ্যসমূহ আলোচনা কৰা।

(৩) বাণিজ্যিক বেংকৰ গৌণ কাৰ্যসমূহ আলোচনা কৰা।

(৪) বাণিজ্যিক বেংকৰ আধুনিক কাৰ্যসমূহ আলোচনা কৰা।

(৫) উন্নয়ন বেংকৰ বিভিন্ন কাৰ্যসমূহ আলোচনা কৰা।

(৬) বাণিজ্যিক বেংকৰ বিভিন্ন কাৰ্যসমূহ চমুকৈ বৰ্ণনা কৰা।

——

# গোট - ৩

# ভাৰতত বাণিজ্যিক বেংকিং
# (COMMERCIAL BANKING IN INDIA)

ভাৰতত বাণিজ্যিক বেংকৰ বিৱৰ্তন আৰু বিকাশ। প্ৰেচিডেন্সি বেংক, ইম্পেৰিয়েল বেংক— ইয়াৰ কাৰ্য আৰু ৰাষ্ট্ৰীয়কৰণ। ষ্টেট বেংক অফ্ ইণ্ডিয়া আৰু ইয়াৰ কাৰ্য। অনুসূচিত বেংক আৰু অনা-অনুসূচিত বেংক, ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংক, অনুসূচিত বেংক আৰু অনা-অনুসূচিত বেংক আৰু ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংকৰ মাজত পাৰ্থক্য।

**বেংক ৰাষ্ট্ৰীয়কৰণ ঃ** উদ্দেশ্য আৰু ভাৰতত বেংক ৰাষ্ট্ৰীকৰণৰ প্ৰগতি, বেংক ৰাষ্ট্ৰীয়কৰণৰ বিপক্ষে সমালোচনা।

**নায়ক বেংক আঁচনি ঃ** উদ্দেশ্য আৰু কাৰ্য, নায়ক বেংক আঁচনিৰ সফলতা, নায়ক বেংক আঁচনিৰ দুৰ্বলতা।

**বেংকিং পদ্ধতি ঃ** শাখা বেংকিং পদ্ধতি— অৰ্থ, সুবিধা আৰু অসুবিধা। গোট বেংকিং পদ্ধতি— অৰ্থ, সুবিধা আৰু অসুবিধা। থুপ বেংকিং পদ্ধতি— অৰ্থ, সুবিধা আৰু অসুবিধা। চেইন বেংকিং পদ্ধতি আৰু সংযোগী বেংকিং পদ্ধতিৰ অৰ্থ। শাখা বেংকিং পদ্ধতি আৰু গোট বেংকিং পদ্ধতিৰ মাজত পাৰ্থক্য। থুপ বেংকিং পদ্ধতি আৰু চেইন বেংকিং পদ্ধতিৰ মাজত পাৰ্থক্য।

**শিকণৰ উদ্দেশ্য** (Learning Objectives) ঃ

এই গোটৰ বিষয়সমূহ পঢ়াৰ পিছত শিক্ষাৰ্থীয়ে—

- ভাৰতত বাণিজ্যিক বেংকৰ বিৱৰ্তন আৰু বিকাশ সম্বন্ধে জানিব পাৰিব।
- প্ৰেচিডেন্সি বেংক আৰু ইম্পেৰিয়েল বেংকৰ বিষয়ে জানিব পাৰিব।
- ভাৰতীয় ষ্টেট বেংক আৰু ইয়াৰ কাৰ্যৰ বিষয়ে জানিব পাৰিব।
- অনুসূচিত বেংক আৰু অনা-অনুসূচিত বেংকৰ বিষয়ে জানিব পাৰিব।
- ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংকৰ বিষয়ে জানিব পাৰিব।
- ভাৰতত বাণিজ্যিক বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ বিষয়ে জানিব পাৰিব।
- নায়ক বেংক আঁচনিৰ বিষয়ে জানিব পাৰিব।
- বিভিন্ন বেংকিং পদ্ধতিৰ বিষয়ে জানিব পাৰিব।